# 2nd India-Australia-Japan- USA Ministerial Meeting

October 06, 2020

# দ্বিতীয় ভাৰত-অষ্ট্ৰেলিয়া-জাপান- মাৰ্কিন যুক্তৰাষ্ট্ৰ মন্ত্ৰালয়িক বৈঠক

অক্টোবৰ 06, 2020

6 অক্টোবৰ 2020 তাৰিখে টকিঅ'ত অনুষ্ঠিত দ্বিতীয় ভাৰত-অষ্ট্ৰেলিয়া-জাপান- মাৰ্কিন যুক্তৰাষ্ট্ৰ মন্ত্ৰালয়িক বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ মন্ত্ৰী ড০ এছ জয়শংকৰে অংশগ্ৰহণ কৰে। বিদেশ মন্ত্ৰীসকলে 2019 বৰ্ষৰ ছেপ্তেম্বৰত হোৱা আলোচনা অব্যাহত ৰাখে আৰু ক'ভিড-19ৰ পৰৱৰ্তী আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ ওপৰত আলোচনা কৰে। তেওঁলোকে মহামাৰীৰ ফলত উদ্ভৱ হোৱা বিত্তীয় সমস্যা সহ প্ৰত্যাহ্বানসমূহৰ প্ৰতি সমন্বিত সঁহাৰি; ক'ভিড-19 মহামাৰীৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত পৰস্পৰৰ উত্তম অনুশীলনসমূহৰ বিনিময় কৰে; সৰবৰাহ শৃংখলাৰ স্থিতিস্থাপকতা বৃদ্ধি কৰে; সুলভ মূল্যৰ প্ৰতিষেধক, ঔষধ আৰু চিকিৎসা সৰঞ্জামৰ উপলব্ধতা বঢ়োৱাৰ কাৰণে আহ্বান কৰে।

বিদেশ মন্ত্ৰীসকলে পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু সংযোগ সম্বন্ধীয় বিষয়সমূহ; মানৱীয় সহায় আৰু দুৰ্যোগ সাহাৰ্য; সমুদ্ৰী সাৱধানতা আৰু সুৰক্ষা; স্বাস্থ্য সুৰক্ষা আৰু সন্ত্ৰাসবাদ প্ৰতিৰোধ সম্বন্ধীয় বিষয়সমূহৰ ওপৰত মত বিনিময় কৰে। তেওঁলোকে এক স্বতন্ত্ৰ, মুক্ত আৰু সমেত ভাৰত-প্ৰশান্তীয় বৰ্তি ৰখাৰ সন্মিলিত লক্ষ্যৰ কথা সুনিশ্চিত কৰে। তেওঁলোকে এছিয়ানৰ কেন্দ্ৰীয়তাৰ প্ৰতি তেওঁলোকৰ দৃঢ় সমৰ্থন কথা পুনৰাই ব্যক্ত কৰে আৰু ভাৰত- প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ কাৰণে এক সাধাৰণ দৃষ্টিকোণক সাৰ্থক কৰাৰ লক্ষ্যত কাম কৰাৰ তত্পৰতাৰ বিষয়ে উল্লেখ কৰে। এই পৰামৰ্শসমূহৰ মূল্যৰ প্ৰশংসা কৰি তেওঁলোকে নিয়মিতভাৱে আয়োজন কৰাৰ ক্ষেত্ৰত সহমত পোষণ কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাজ্যিক সচিব মহামান্য শ্ৰী মাইকেল পমপীঅৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়; আৰু অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী মহামান্য শ্ৰীমতী মাৰিছ পায়নে আৰু জাপানৰ বিদেশ মন্ত্ৰী শ্ৰী টছিমিটছো মটেগীৰ সৈতে বৈঠকত মিলিত হব। এই বৈঠকসমূহে সংশ্লিষ্ট মন্ত্ৰীসকলক বৰ্তমান চলি থকা দ্বিপাক্ষিক সহযোগিতা পৰ্যালোচনা কৰা আৰু আঞ্চলিক, বৈশ্বিক আৰু পাৰস্পৰিক স্বাৰ্থৰ অন্যান্য বিষয়সমূহৰ ওপৰত আলোচনা কৰাৰ সুযোগ প্ৰদান কৰে।

**নতুন দিল্লী**
**অক্টোবৰ 06, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.